# ক্ষুদ্ৰ কৃষক কৃষি-বাণিজ্য কনছৰ্টিয়াম (SFAC)

## কৃষি ব্যৱসায়ৰ বিকাশৰ বাবে ভেন্‌চাৰ মূলধনী আঁচনি

ক্ষুদ্ৰ কৃষক কৃষি-বাণিজ্য কনছৰ্টিয়াম কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু সমবায় বিভাগৰ অধীনস্থ এখন সমিতি। কৃষি ভিত্তিক উদ্যোগ স্থাপনৰ বাবে কৃষি-বাণিজ্য প্ৰকল্প সমূহত ব্যক্তিগত বিনিয়োগক উৎসাহিত কৰা আৰু ইয়াৰ জৰিয়তে গ্ৰাম্য আয় আৰু নিয়োগৰ সুবিধা বৃদ্ধি কৰাৰ লক্ষ্যৰাখি সমিতিখন গঠন কৰা হৈছে।

ক্ষুদ্ৰ কৃষক কৃষি-বাণিজ্য কনছৰ্টিয়ামে কৃষি ভিত্তিক উদ্যোগ স্থাপনৰ বাবে আগ্ৰহী সকললৈ আগবঢ়াইছে ভেন্‌চাৰ মূলধন সাহায্য আঁচনি আৰু আনহাতে আঁচনিখনৰ আন এটি উপাংশ "প্ৰকল্প উন্নয়নী সুবিধা"ৰ অধীনত উৎপাদক গোট তথা নিৰ্দিষ্ট সংস্থা সমূহলৈ যোগান ধৰা হ'ব বেংকৰ বাবে গ্ৰহণ যোগ্য বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতিৰ বাবে বিত্তীয় সাহায্য। আঁচনিয়ে আগবঢ়োৱা ভেন্‌চাৰ মূলধন আৰু বেংকে আগবঢ়োৱা সময় নিৰ্ধাৰিত ঋণ/কাৰ্যকৰী মূলধন আৰু একুইটিৰ পৰিমাণ 'এখন খিৰিকি' (Single window)ৰে হিতাধিকাৰীলৈ আগবঢ়াব। ক্ষুদ্ৰ কৃষক কৃষি-বাণিজ্য কনছৰ্টিয়ামে আঁচনিখন বাণিজ্যিক বেংকৰ সহযোগত ৰূপায়ণ কৰিব।

### এই আঁচনিৰ মুখ্য উদ্দেশ্য সমূহ ঃ

ক) বেংকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপনেৰে কৃষি ব্যৱসায়ৰ প্ৰয়াসক সহজ সাধ্য কৰি তোলা।

খ) কৃষি ব্যৱসায়িক প্ৰকল্প স্থাপনৰ বাবে ব্যক্তিগত বিনিয়োগক উজ্জীৱিত কৰা আৰু ইয়াৰ জৰিয়তে গ্ৰাম্য আয় আৰু নিয়োগৰ সুবিধা বৃদ্ধি কৰাৰ বাবে উৎপাদকলৈ এখন নিশ্চিত বজাৰ যোগান ধৰা।

গ) কৃষি ব্যৱসায়িক প্ৰকল্পৰ পশ্চাৎমুখী সংযোগক শক্তিশালী কৰি তোলা।

ঘ) প্ৰকল্প উন্নয়নী সুবিধা (PDF)ৰ জৰিয়তে মান সংযোজিত ব্যৱস্থাত অধিক অংশ গ্ৰহণৰ বাবে কৃষক, উৎপাদক গোট আৰু কৃষি স্নাতক সকলক সহায় কৰা।

ঙ) নিৰ্বাচিত কৃষি ব্যৱসায়িক প্ৰকল্প স্থাপনৰ বাবে কৃষি উদ্যোগীসকললৈ প্ৰশিক্ষণ আৰু ভ্ৰমণৰ সুবিধা আগবঢ়োৱা।

### আঁচনিখনৰ কেতবোৰ মুখ্য দিশ ঃ

**যোগ্য ব্যক্তি ঃ**



কৃষক, উৎপাদক গোট, অংশীদাৰীত্ব/মালিকানাধীন পাম, আত্মসহায়ক গোট, কোম্পেনী, কৃষি ঔদ্যোগী, কৃষি ৰপ্তানী মণ্ডলৰ গোট আৰু ব্যক্তিগত বা গোট হিচাপে কৃষি স্নাতকলৈ এই আঁচনিৰ জৰিয়তে সাহায্য আগবঢ়োৱা হৈছে।

পেচাগত ব্যৱস্থাপনা আৰু দায়বদ্ধতাৰ বাবে গোটসমূহে সংশ্লিষ্ট আইনৰ অধীনত কোম্পেনী বা উৎপাদকৰ কোম্পেনী গঠন কৰাটো বাঞ্ছনীয়।

### ভেন্‌চাৰ মূলধনৰ অধীনত যোগ্য প্ৰকল্প ঃ

- প্ৰকল্প সমূহ কৃষি আৰু ইয়াৰ সহযোগীখণ্ড যেনে উদ্যান শস্য, পুষ্পখণ্ড, ঔষধি আৰু সুবাসিত গছ-লতিকা, ক্ষুদ্ৰ বন উৎপাদিত সামগ্ৰী, ৰেচম, জৈৱ কৃষি, কেঁচুসাৰ, মৌ-পালন, ৰোপণ শস্য আৰু মীন পালনৰ (ইক'-হেচ্যাৰি) ওপৰত হ'ব লাগিব।





কুকুৰা পালন আৰু দুগ্ধ উৎপাদন প্ৰকল্পক এই আঁচনিৰ অধীনত সামৰি লোৱা নহ'ব।

- উত্তৰ পূৰ্বাঞ্চল তথা পাৰ্বত্য অঞ্চলৰ বাবে প্ৰস্তাৱিত প্ৰকল্পৰ নূন্যতম মূল্য ২৫ লাখ টকা হ'ব লাগিব।
- প্ৰকল্পই কৃষক/উৎপাদক গোটক নিশ্চিত বজাৰৰ সন্ধান দিব লাগিব।
- প্ৰস্তাৱিত প্ৰকল্প সমুহে কৃষকক উচ্চ মানবিশিষ্ট শস্যৰ উৎপাদনৰ প্ৰতি উৎসাহিত কৰি পামৰ আয় বৃদ্ধিত সহায়তা আগবঢ়াব পৰা হ'ব লাগিব।
- প্ৰকল্প সমূহ সময় নিদ্ধাৰিত ঋণ মঞ্জুৰী পাবলৈ বেংকৰ বাবে গ্ৰহণযোগ্য হ'ব লাগিব।

### ভেন্‌চাৰ মূলধন সাহায্য ঃ

* বিত্তীয় সাহাৰ্য্য আগবঢ়োৱা প্ৰকল্পক বেংকে দিয়া অনুমোদন পত্ৰৰ আধাৰত যোগ্য প্ৰকল্প সমূহলৈ ক্ষুদ্ৰ কৃষক কৃষি-বাণিজ্য কনছৰ্টিয়ামে একুইটি আগবঢ়াব। ভেন্‌চাৰ মূলধন সাহাৰ্য্যৰ পৰিমান নিৰ্ভৰ কৰিব বেংকৰ দ্বাৰা ধাৰ্য্য কৰা মুঠ প্ৰকল্প ব্যয়ৰ ১০ শতাংশ নাইবা প্ৰকল্প একুইটিৰ ২৬ শতাংশ অথবা ৭৫ লাখ টকা যিটোৱেই সৰ্বনিম্ন ৰূপে বিবেচিত হ'ব।

* কেতবোৰ বিশেষ ক্ষেত্ৰত পাৰ্বত্য অঞ্চল আৰু উত্তৰ পূৰ্বাঞ্চলত লোৱা প্ৰকল্প সমূহ নতুবা ৰাজ্যিক সংস্থা/ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি-বাণিজ্য কনছৰ্টিয়ামৰ দ্বাৰা অনুমোদিত প্ৰকল্প সমূহক অধিক পৰিমানৰ ভেন্‌চাৰ মূলধনী সাহায্য আগবঢ়োৱাৰ বাবে ক্ষুদ্ৰ কৃষক কৃষি-বাণিজ্য কনছৰ্টিয়ামে বিবেচনা কৰিব।

* প্ৰকল্পলৈ বেংকে আগবঢ়োৱা সময় নিৰ্দিষ্ট ঋণ প্ৰকল্পই পৰিশোধ কৰাৰ পাছত এই একুইটি মূলধন ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছৰ্টিয়ামলৈ পুনঃ পৰিশোধৰ জৰিয়তে উভতি আহিব।

* ভেন্‌চাৰ মূলধন সময় নিদ্ধাৰিত ঋণলৈ পৰিবৰ্তিত হোৱাৰ পাছত একেলগে অথবা চাৰিটা কিস্তিত সময় নিদ্ধাৰিত ঋণৰ সুতৰ হাৰৰ সৈতে একে হাৰত ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছৰ্টিয়ামক পৰিশোধ কৰিব লাগিব।

### প্ৰকল্প উন্নয়নী সুবিধা ঃ

- এই সুবিধাৰ অধীনত কৃষক, উৎপাদক গোট, কৃষি উদ্যোগী, কৃষি ৰপ্তানি মণ্ডলৰ গোট, বিভিন্ন সংস্থা আৰু কৃষি স্নাতক সকলে বেংকৰ বাবে গ্ৰহণ যোগ্য বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতিৰ বাবে বিত্তীয় সাহায্য লাভ কৰিব পাৰিব।